**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

পশ্চিম কাৰ্বি আংলঙ জিলাত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত ৰূপান্তৰমুখী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি হামৰেণত ১০০খন বিচনাযুক্ত নতুন জিলা চিকিৎসালয় উদ্বোধন কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে এই জিলা চিকিৎসালয়খন নিৰ্মাণ কৰা হৈছে। এই চিকিৎসালয়ত জৰুৰীকালীন বিভাগ, শৈল্য চিকিৎসা, প্ৰসূতি আৰু স্ত্ৰীৰোগ, শিশু ৰোগ, মনোৰোগ আদি বিভাগ থকাৰ উপৰি অস্ত্ৰোপচাৰ কক্ষ, আই চি ইউ, ব্লাড বেংক আদিকে ধৰি প্ৰায় সকলোবোৰ সুবিধা আছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই উপলক্ষে আয়োজিত সভাত ভাষণ দি অতি দূৰণিবটীয়া অঞ্চলত স্থাপন কৰা এই চিকিৎসালয়ে জনসাধাৰণক উপকৃত কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে স্থানীয় যুৱতীসকলক নাৰ্ছিং শিক্ষা প্ৰদানৰ সুবিধাৰ্থে হামৰেনত এখন জিএনএম নাৰ্ছিং স্কুল স্থাপনৰ কথা ঘোষণা কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

জিলা চিকিৎসালয়খনত অহা ডিচেম্বৰৰ ভিতৰত চি টি স্কেন মেচিনৰ সুবিধা কাৰ্যক্ষম কৰি তোলা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ চিকিৎসক আৰু নাৰ্ছ সকলক জনসাধাৰণৰ সেৱাত উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়াবলৈ আহ্বান জনায়।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি ৰংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰে। এই উপলক্ষে ডংকামোকামৰ ৰাইছং ষ্টেডিয়ামত আয়োজিত এখন জনসভাত দুহেজাৰ ২০০ আত্মসহায়ক গোটৰ প্ৰায় ১৯ হাজাৰ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'য়।

০০০০০০

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত স্তিমিত উৎসাহ-উদ্দীপনাৰে শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। আজি শাৰদীয় অকালবোধনৰ সপ্তমী। কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ লগে লগে পৰম্পৰাগত ৰীতি-নীতিৰে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হয়। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে।

শিৱসাগৰ জিলাত ১৭৩৪ চনত ৰাণী অম্বিকাই প্ৰতিষ্ঠা কৰা ২৯১ বছৰীয়া ঐতিহাসিক দেৱী দৌলত আধ্যাত্মিকতাৰ মাজেৰে শাৰদীয় পূজাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, এই দৌলত মহা অষ্টমীৰ প্ৰথম প্ৰসাদ নাগাৰা বজোৱা দৌল্লা পৰিয়াল আৰু কনচেং বৰপাত্ৰ গোঁহাই পৰিয়ালৰ পৰা আগবঢ়োৱাৰ ৰজাদিনীয়া পৰম্পৰা দৌল উন্নয়ন সমিতিয়ে এতিয়াও অক্ষুণ্ণ ৰাখিছে। ৰাজ্যবাসীৰ প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত দেৱী দৌলৰ পূজাত পূৰ্বৰ উছাহ-উদ্দীপনা দেখিবলৈ পোৱা নাই বুলি দৌল সমিতিয়ে জানিবলৈ দিছে। জিলাখনত সৰ্বমুঠ ২৫ খন ৰাজহুৱা পূজা অনুষ্ঠিত হৈছে। পূজা সমিতিসমূহে জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই সকলো সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰিছে।

**ডিব্ৰুগড়** জিলাতো জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে। জিলাখনত স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালৰ মোমাই তামুলী বৰবৰুৱাৰ

পৃষ্ঠপোষকতাত আৰম্ভ হোৱা বকুলৰ দুৰ্গা পূজাভাগ অসমীয়া ৰীতি-নীতিৰে পালন কৰা হৈছে। থিয়েটাৰপাৰা মালিপট্টিৰ দুৰ্গাপূজা সমিতিয়ে এইবাৰৰ পূজা মণ্ডপ কাশ্মীৰৰ পেহেলগামৰ আক্ৰমণক উপস্থাপন কৰি নিৰ্মাণ কৰিছে। মণ্ডপটোত অপাৰেচন সিন্দূৰৰ বিজয় অভিযানৰ আৰ্হি নিৰ্মাণ কৰা হৈছে।

**ধেমাজি** জিলাতো মাংগলিক ৰীতি-নীতিৰে কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰে শাৰদীয় পূজা আৰম্ভ হৈছে। আজি সপ্তমী পূজাৰ নৱপত্ৰিকা স্থাপনৰ পৰম্পৰাও পূজাস্থলীত পালন কৰা হৈছে। জিলাখনৰ জোনাই সাৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত বিশেষ মণ্ডপ সাজি উলিয়াইছে। **শোণিতপুৰ** জিলাতো শাৰদীয় দুৰ্গা পূজা পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে।

০০০০০০

অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আজি আদ্যশ্ৰাদ্ধ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মন কি বাতত অসমীয়াৰ হিয়াৰ আমঠু শিল্পীগৰাকীৰ অকাল বিয়োগতো গভীৰ শোক প্ৰকাশ কৰে। নিজৰ প্ৰতিভাৰে সমগ্ৰ দেশতে পৰিচিত হৈ পৰা জুবিন গাৰ্গৰ অসমৰ সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্ক আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সংগীতে পৰৱৰ্তী প্ৰজন্মসমূহক সদায়েই আচ্ছন্ন কৰি ৰাখিব।

ইফালে শিল্পীগৰাকীৰ কাহিলীপাৰাস্থিত ঘৰত শ্ৰদ্ধাঞ্জলি জনাবলৈ গুণমুগ্ধৰ সোঁত অব্যাহত আছে। কালি দেশৰ বিশিষ্ট উদ্যোগপতি গৌতম আদানীয়ে শিল্পীগৰাকীৰ পৰিয়ালক সাক্ষাৎ কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে। আজি আদ্যশ্ৰাদ্ধৰ কাৰণে সৰভোগ অঞ্চলৰ ব্যৱসায়ীসকলে এহেজাৰ লিটাৰতকৈও অধিক দৈ যোগান ধৰিছে।

শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তত নিজকে সাংস্কৃতিক কৰ্মী বুলি জাহিৰ কৰা অভিযুক্ত শ্যামকানু মহন্তৰ ঘৰত এছ আই টিয়ে চৰকাৰী ছিল-মোহৰ লগায়।

০০০০০০

সমাপ্ত